# ফেডাৰেল ৰিপাব্লিক অব্ জার্মানিৰ ৰাষ্ট্ৰপতিৰ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমণ ।

## জানুৱাৰী ৩১,২০১৪

ভাৰতৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী প্ৰনৱ মূখাৰ্জীৰ আমন্ত্ৰন ক্ৰমে ফেডাৰেল ৰিপাব্লিক অব্ জাৰ্মানীৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী জোৱাচিম গোওকয়ে ৪ ফেব্ৰুৱাৰী ২০১৪ ৰপৰা ৯ ফেব্ৰৱাৰী ২০১৪ লৈ ভাৰতলৈ ৰাজকীয় ভ্ৰমণ কাৰ্য্যসূচী লৈ আহিব ।ৰাষ্ট্ৰপতি জোৱাচিম গোওকক  বহু কেইগৰাকী মন্ত্ৰী,সাংসদ আৰু বানিজ্য ক্ষেত্ৰৰ নেতা সকলৰ অৰ্ন্তভূক্তিৰে এটা উষ্চ পৰ্য্যয়ৰ প্ৰতিনিধিৰ দলে তেওঁৰ ভাৰত ভ্ৰমণ কালত সহযোগিতা কৰিব ।

ৰাষ্ট্ৰপতি জোৱাচিম গোওক ৪ ফেব্ৰুৱাৰী ২০১৪ তাৰিখৰ সন্ধিয়া নতুন দিল্লীত উপস্থিত হব ।৫ ফেব্ৰুৱাৰী তাৰিখে ৰাষ্ট্ৰপতি ভৱনত তেওঁ গাৰ্ড অব্ অনাৰ গ্ৰহন কৰিব আৰু ইয়াৰ পাছতেই তেওঁ ৰাজঘাটলৈ ৰাওনা হব । ৰাজঘাটত তেওঁ জাতিৰ পিতালৈ সন্মান প্ৰদৰ্শন জ্ঞাপন কৰিব। জাৰ্মানীৰ ৰাষ্ট্ৰপতি গৰাকীয়ে ভাৰতৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী প্ৰনৱ মূখাৰ্জীক আৰু প্ৰধান মন্ত্ৰী ড. মনমোহন সিঙক সাক্ষাৎ কৰিব । ৰাষ্ট্ৰপতি গৰাকীক উপ ৰাষ্ট্ৰপতি,বিৰোধী দলৰ নেতা আৰু ইউ পি এ চৰকাৰৰ অধ্যক্ষাই সাক্ষাৎ কৰিব ।
ৰাষ্ট্ৰপতি গৰাকীয়ে ৭ ৰ পৰা ৯ ফেব্ৰুৱাৰী ২০১৪ তাৰিখলৈ কৰ্ণাটক ভ্ৰমণ কৰিব ।অন্যান্য কাৰ্য্যসূচীৰ লগতে কৰ্ণাটকৰ ৰাজ্যপালৰ সৈতেও ৰাষ্ট্ৰপতি গৰাকীয়ে এখন বৈঠকত মিলিত হব ।

পৰম্পৰাগত ভাৱে জাৰ্মানী আৰু ভাৰতৰ মাজৰ সম্পৰ্ক অতি সৌজনমুলক আৰু নিকটতম ।২০০০ চনৰ পৰাই ভাৰত আৰু

জাৰ্মানীৰ মাজত ৰণকৌশলগত অংশীদাৰিত্বৰ সম্পৰ্ক আছে ।২০১১ চনত ইন্টাৰ গভৰমেন্টেল কনচালটেশ্বন আৰম্ভ হোৱাৰে পৰা , চৰকাৰৰ প্ৰমুখ সকলৰ মাজত উষ্চ পৰ্য্যয়ৰ নিয়মিত মতবিনিময় অনুষ্ঠিত হোৱাৰ জৰিয়তে দুয়োদেশৰ দ্বিপাক্ষীক সহযোগিতাৰ ক্ষেত্ৰ সমুহত উল্লেখনীয় প্ৰগতি হোৱাটো পৰিলক্ষিত হৈছে ।ৰণকৌশলগত ক্ষেত্ৰ সমুহত সহযোগিতা বৃদ্ধি,অৰ্থনৈতিক আৰু বানিজ্যিক চুক্তি সমুহৰ বিকাশ আৰু শিক্ষা ক্ষেত্ৰ,বিজ্ঞান আৰু প্ৰযুক্তি ক্ষেত্ৰত মত বিনিময়ৰ সম্পৰসাৰন, আৰু সাংস্কৃতি আৰু মানুহৰ সৈতে মানুহৰ সম্পৰ্কৰ অধিক বৃদ্ধি হৈছে । ইউৰোপত জাৰ্মানী সদায়েই ভাৰতৰ বৃহৎতম বাণিজ্যিক অংশীদাৰিত্ব হৈ থাকিব ।আৰ্ন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰত আৰু জাৰ্মানী সদায়েই একেলগে ওচৰ সম্বন্ধৰে কাম কৰি যাব ।

নতুন দিল্লী
জানুৱাৰী ৩১,২০১৪